## আখৰ জোঁটনি

অসমীয়া ভাষাই দিনক দিনে আধুনিকতাৰ পথত অগ্ৰসৰ হোৱাৰ সময়তে সাম্প্ৰতিক সময়ত এই ভাষিক গোষ্ঠীৰ বিভিন্নজনৰ মাজত দেখা দিয়া এক জটিল সমস্যা হৈছে আখৰ জোঁটনিৰ সমস্যা। নতুন প্ৰজন্মৰ উপৰিও ভিন্নজনক এই সমস্যাই বাৰুকৈয়ে বিপাঙত পেলোৱা পৰিলক্ষিত হয়। মানুহে ভাষাৰ মাধ্যমেৰে মনৰ ভাব আদান প্ৰদান কৰে আৰু এই ভাবক লিখিত ৰূপ প্ৰদান কৰিবলৈ যাওঁতে লিপি বা বৰ্ণৰ সহায় ল'ব লগা হয়। কথিত ভাষাৰ লিখিত ৰূপৰ বাবে ব্যৱহাৰ হোৱা বৰ্ণ বা আখৰৰ সমষ্টিয়েই হৈছে আখৰ জোঁটনি। যি ভাষাত আখৰ আৰু বৰ্ণ অভিন্ন সেই ভাষাৰ আখৰ জোঁটনি সৰ্বোৎকৃষ্ট আৰু বিজ্ঞানসন্মত বুলি মানি ল'ব পাৰি।

যোগাযোগত আখৰ জোঁটনিৰ গুৰুত্ব অপৰিসীম। আখৰ জোঁটনিৰ লগত সম্পৰ্কিত এক শব্দ হৈছে উচ্চাৰণ। উচ্চাৰণ স্পষ্ট আৰু বিজ্ঞানসন্মত হ'লেহে আখৰ জোঁটনি নিৰ্ভুল হোৱাৰ সম্ভাৱনা থাকে। অসমীয়া ভাষাত স্থানবিশেষে, জাতি-জনগোষ্ঠীবিশেষে আৰু ব্যক্তিবিশেষে একেটা শব্দ বা

বৰ্ণকে বিভিন্ন ধৰণেৰে উচ্চাৰণ কৰাৰ বাবে আখৰ জোঁটনিত বিভিন্ন বিসঙ্গতি দেখা যায়। কিছুমান বৰ্ণ যেনে— শ,ষ,স,হ; চ,ছ; জ,য; ন,ণ আদিৰ উচ্চাৰণৰ পাৰ্থক্যহীনতাৰ বাবে তেনে বৰ্ণযুক্ত শব্দ লিখিবলৈ যাওঁতে লিখোঁতাই প্ৰায়ে ভুল কৰে। ঠিক তেনেদৰে ৰেফযুক্ত অসমীয়া আখৰবোৰৰ সঠিক উচ্চাৰণৰ ক্ষেত্ৰতো বিভ্ৰান্তিয়ে দেখা দিয়ে। এইক্ষেত্ৰত বৰ্ত্তমান, পৰ্ব্বত আদিৰ কথা উল্লেখ কৰিব পাৰি।

**অসমীয়া আখৰ জোঁটনিত স্বৰবৰ্ণৰ প্ৰভাৱ ঃ**

অসমীয়া ভাষা কোৱা আৰু লিখাৰ ক্ষেত্ৰত থকা প্ৰধান সমস্যাটোৰ সৃষ্টি হৈছে শব্দসমূহৰ উচ্চাৰণৰ পৰা। যিবোৰ মূল ধ্বনিৰ পৰা শব্দ উচ্চাৰণ কৰা হয় তাকে বৰ্ণ বোলে। সেয়েহে বৰ্ণই হৈছে ভাষাৰ প্ৰধান সম্পদ। অসমীয়াকে ধৰি সকলো ভাৰতীয় ভাষাৰে বৰ্ণমালা সংস্কৃত ভাষাৰ বৰ্ণমালাৰ আৰ্হিত তৈয়াৰ কৰি লোৱা হৈছে।

স্বৰবৰ্ণৰ অসমীয়া ভাষাত ধ্বনিগত বিশিষ্ট ৰূপ অৰ্থাৎ phoneme মাত্ৰ আঠোটা। সেইকেইটা হ'ল—ই, এ', এ, আ, অ, অ', ও, আৰু উ। এই আঠোটা স্বৰ সূচিত কৰিবলৈ অসমীয়া স্বৰবৰ্ণমালাত এঘাৰটা আখৰ আছে। সেয়া হ'ল—অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ও, ঐ আৰু ঔ। এই আখৰকেইটাৰ ব্যৱহাৰিক সমস্যা আছে। ইহঁতৰ ই ঈ আৰু উ ঊ-ৰ বৰ্ণগত পাৰ্থক্য নাই। সেইদৰে ঋ-টো স্বৰ হিচাপে উচ্চাৰিত নহয়। ঐ আৰু ঔ দুয়োটাই দ্বিস্বৰ অৰ্থাৎ diphthong সূচক আখৰ। অ বুজাবলৈ আখৰ আছে; কিন্তু চ'ত, ক'ত, ৰ'দ ইত্যাদি শব্দ বুজাবলৈ অ-ৰ পিছত উৰ্ধ্বকমা ব্যৱহাৰ কৰা হয়। একেদৰে এ বুজাবলৈ আখৰ আছে যদিও দেশ, বেশ ইত্যাদি বুজাবলৈ এ' ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাত অ-টোক হ্ৰস্ব আৰু আ-টোক দীৰ্ঘ বুলি কোৱা হয় যদিও উচ্চাৰণত দুয়োটাৰে মাত্ৰা একে—দুয়োটা চুটিকৈ উচ্চাৰণ কৰা হয়। একেদৰে ই ঈ আৰু উ ঊ-ৰ মাত্ৰাও সমান অৰ্থাৎ সকলোবোৰ হ্ৰস্ব। তৎসত্বেও সংস্কৃতৰ আৰ্হিত দীৰ্ঘ ধ্বনিসূচক আখৰকেইটাও অসমীয়া ভাষাত ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাৰ শব্দত স্বৰবোৰৰ অৱস্থানভেদে দীৰ্ঘ উচ্চাৰণ কৰা হয়। উচ্চাৰণ সঠিক নোহোৱাৰ বাবেই হ্ৰস্ব-দীৰ্ঘ স্বৰ সূচক আখৰৰ প্ৰয়োগত বিভ্ৰান্তি হয় যাৰ বাবে আখৰ জোঁটনিৰ ক্ষেত্ৰতো সমস্যা হয়।